# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-SEP-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

————————————————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ  দিনৰ ১০ বজাত আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত ভৈৰৱী-চাইৰাং ৰে'লপথেৰে তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মণিপুৰলৈ যাব আৰু চুড়াচান্দপুৰ আৰু ইম্ফলত দুখন জনসভাত অংশ ল'ব। মণিপুৰৰ কেইবাটাও সংগঠনে আজি মাজনিশাৰ পৰা আহ্বান দিয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যখনত নিশ্ছিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিবেশন কৰিব।

প্ৰধানমন্ত্ৰীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত পৰহিলৈ মঙলদৈলৈ যাব আৰু প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনাই তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰ হৈ নতুন দিল্লীলৈ উভতি যাব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ভাগ ল'বলগীয়া সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰিব। বিয়লি পাঁচ বাজি ১০ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত এই অনুষ্ঠান প্ৰচাৰিত হ'ব। ইয়াৰ

পৰিপ্ৰেক্ষিতত কাইলৈ সন্ধিয়া পাঁচ বাজি ১৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া বিয়লিৰ আঞ্চলিক বাতৰি আৰু সন্ধিয়া ছয় বজাত প্ৰচাৰিত হ'বলগীয়া সন্ধিয়াৰ উজনি অসমৰ বাতৰি প্ৰচাৰিত নহয়।

ooooo

ৰাজ্যৰ বিভিন্ন স্থানত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪২৯ সংখ্যক তিৰোভাৱ তিথি শ্ৰদ্ধা-ভক্তিৰে পালন কৰা হৈছে। তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত ভাগৱত পাঠ, নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে। তিৰোভাৱ তিথিত গুৰুজনালৈ প্ৰণিপাত জনাই নামঘৰ, সত্ৰত পুৱাৰ পৰাই ভকত-বৈষ্ণৱ সমবেত হোৱা পৰিলক্ষিত হৈছে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰী, ডিব্ৰুগড়, শিৱসাগৰ, বৰদোৱা, বৰপেটা, সত্ৰ নগৰী মাজুলী, ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, গোৱালপাৰাৰ কেউলীয়া হাঁটী সত্ৰ আৰু শ্যামৰায় সত্ৰৰ লগতে গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো সাহিত্য-সংস্কৃতিৰ পূজাৰী, অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগৰ আয়োজন কৰা হয়। সন্ধিয়ালৈ কোনো কোনো ঠাইত অংকীয়া ভাওনাও অনুষ্ঠিত হ'ব।

ooooo

ডিব্ৰুগড় জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক অনন্যা চৌধুৰীৰ নেতৃত্বত জিলা প্ৰশাসনৰ এটা দলে আজি জামিৰা সমবায় সমিতিৰ অন্তৰ্গত কুমাৰণীচিগাৰ জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰ বৃদ্ধাশ্ৰম পৰিদৰ্শন কৰে। যোগান বিভাগৰ পৰিদৰ্শক, আধাৰ আৰু আয়ুষ্মানৰ কৰ্মচাৰীৰে গঠিত দলটোৱে বৃদ্ধাশ্ৰমখন পৰিদৰ্শন কৰাৰ লগতে আৱাসীসকলৰ সৈতে আলোচনাত মিলিত হয়। উপ-সঞ্চালকগৰাকীয়ে আৱাসীসকলক আধাৰ কাৰ্ড, ৰেচন কাৰ্ড, আয়ুষ্মান কাৰ্ড প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

ooooo

হোজাই জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পল্লৱ তামুলীক গৰু ছিণ্ডিকেটৰ পৰা ধন লোৱাৰ অভিযোগত আজি নিলম্বন কৰা হয়। জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক তামুলীক গৃহ বিভাগে এটা নিৰ্দেশযোগে নিলম্বনৰ শাস্তি আৰোপ কৰে।

ooooo

আলফা স্বাধীনৰ কামাণ্ডাৰ মৃগাংক অসমে আজি তিনিচুকীয়া আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণৰ সময়ত সদস্যগৰাকীয়ে ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ আৰক্ষীৰ হাতত জমা দিয়ে বুলি আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জনাইছে।

ooooo

তিনিচুকীয়া নগৰৰ নাৰী শিক্ষাৰ অগ্ৰণী অনুষ্ঠান তিনিচুকীয়া ৱ'মেন কলেজে এই বৰ্ষত ৬০ বছৰ অতিক্ৰম কৰা উপলক্ষে হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ বাবে প্ৰস্তুতি চলাইছে। এই সন্দৰ্ভত মহাবিদ্যালয় কৰ্তৃপক্ষই কাইলৈ এখন ৰাজহুৱা সভাৰ আয়োজন কৰিছে। এই সভাত হীৰক জয়ন্তী উদযাপন সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হ'ব বুলি আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জনাইছে।

ooooo

সমাপ্ত